# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈ অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ লগতে আন কেইবাটাও বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰো ভোটগণনা কৰা হ'ব। পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, ভোটগণনাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা ফলাফলসমূহ নিৰ্বাচন আয়োগৰ ৱেবচাইট results.eci.gov.inৰ লগতে ভোটাৰ হেল্পলাইন এপ'ত উপলব্ধ হ'ব। জনসাধাৰণে এই ভোটাৰ হেল্পলাইন এপ' গুগল প্লে' ষ্ট'ৰ অথবা এপ'ল প্লে' ষ্ট'ৰৰ পৰা ডাউনলোড কৰিব পাৰিব। আয়োগে লগতে ৰিটাৰ্ণিং বিষয়া আৰু কাউণ্টিং এজেণ্টসকলৰ বাবে ইয়াৰ ৱেবচাইটত এখন হাতপুথিও প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৭টা পৰ্যায়ত অনুষ্ঠিত এইবাৰৰ লোকসভা নিৰ্বাচন ৫৪২ খন আসনত ৮ হাজাৰৰো অধিক প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ইয়াৰে ১৬ শতাংশ প্ৰাৰ্থী ৰাষ্ট্ৰীয় ৰাজনৈতিক দল হোৱাৰ বিপৰীতে ৪৭ শতাংশ নিৰ্দলীয় প্ৰাৰ্থী আছে।

ইফালে, অসমতো কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্যখনৰ ৫০খন নিৰ্বাচনী জিলাত স্থাপিত ৫২টা ভোটগণনা কেন্দ্ৰত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই কথা প্ৰকাশ কৰি কয় যে পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোটগণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

আনহাতে, মুঠ ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্ণিং বিষয়াই ১ লাখ ২৮ হাজাৰৰো অধিক ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

০০০০০০০০

লোকসভা নিৰ্বাচনত কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে সমগ্ৰ দেশজুৰি প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি এখন সংবাদমেলত এইবিষয়ে প্ৰকাশ কৰি কয় যে শক্তিশালী নিৰাপত্তা ব্যৱস্থাৰ মাজত আৰু স্বচ্ছতা বজাই ৰাখি কাইলৈ এই ভোটগণনা সম্পন্ন হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে লগতে ৰিটাৰ্ণিং বিষয়াৰ টেবলত গণনাকাৰী এজেণ্টসকলক উপস্থিত থাকিবলৈ অনুমতি দিয়া নহয় বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ সত্যতা অস্বীকাৰ কৰে। তেওঁ কয় যে এজেণ্টসকলকো অনুমতি প্ৰদান কৰা হৈছে। তদুপৰি নিৰ্বাচন আয়োগৰ ৱেবছাইটত ভোটগণনা প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় নথিসমূহ লাভ কৰিব পৰা যাব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত ৬৪ কোটি ২০ লাখৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰি অভিলেখ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। নতুন দিল্লীত আজি অনুষ্ঠিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে লগতে কয় যে এইবাৰৰ নিৰ্বাচনত ৩১ কোটি ২০ লাখৰো অধিক মহিলা ভোটদাতাই নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে আৰু এই সংখ্যা বিশ্বৰ ভিতৰতে সৰ্বাধিক। তেওঁ কয় যে এইবাৰ মাত্ৰ ৩৯ টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। ইয়াৰ আগেয়ে ২০১৯ৰ সাধাৰণ নিৰ্বাচনৰ ৫৪০টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত ঝাৰখণ্ড, চট্টিশগড়, ওড়িশা, মহাৰাষ্ট্ৰৰ লগতে পশ্চিমবংগ, মণিপুৰ আৰু জম্মু-কাশ্মীৰত কোনো গুৰুতৰ হিংসাত্মক ঘটনা সংঘটিত হোৱা নাই। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ সৈতে জড়িত ৪৯৫টা

অভিযোগৰ ভিতৰত ৯০ শতাংশতকৈও অধিক নিষ্পত্তি কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। চি ভিজিল এপ যোগে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ৪ লাখ ৩৬ হাজাৰটা অভিযোগ লাভ কৰা হৈছিল বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী কুমাৰে ভোটদাতাসকলক নিৰ্বাচনী প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণৰ বাবে ধন্যবাদ জ্ঞাপন কৰি ভোটদাতাসকলহে প্ৰকৃত বিজয়ী বুলি মন্তব্য কৰে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ভোটগণনা সুকলমে সম্পন্ন কৰাৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্যৰ ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ইয়াৰ পূৰ্বৰ নিৰ্বাচনত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছিল আৰু তাৰ ৩০ মিনিট পাছত ইভিএম মুকলি কৰাৰ ব্যৱস্থা আছিল যদিও এইবাৰ লোকসভা নিৰ্বাচনত এই নিয়মৰ কিছু সলনি কৰা হৈছে। এইবাৰ ৰিটাৰ্ণিং বিষয়া থকা জিলাৰ ভোটগণনা কেন্দ্ৰত পুৱা ৮ বজাত পোষ্টেল বেলট গণনা আৰম্ভ হ'ব আৰু ৩০ মিনিট পাছত ইভিএম মুকলি কৰা হ'ব। এই স্থানসমূহত পোষ্টেল বেলট গণনাৰ বাবে পৃথক টেবুলৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, বাকী জিলাসমূহত পোষ্টেল বেলট পেপাৰ গণনা কৰা নহয়। সেই ঠাইসমূহত পুৱা ৮ বজাৰ পৰা ইভিএমৰে গণনা আৰম্ভ হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জনোৱা অনুসৰি ভোটগণনা সম্পন্ন কৰিবলৈ ৬৪জন সাধাৰণ পৰ্যবেক্ষকক প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছে। ইফালে, ৰাজ্যখনত সৰ্বমুঠ ১ লাখ ২৮ হাজাৰ ২৯১টা পোষ্টেল বেলট প্ৰদান কৰা হৈছে।

ৰাজ্যত অন্য জিলাসমূহৰ লগতে ভোটগণনাৰ বাবে বৰপেটা জিলা প্ৰশাসন আৰু জিলা কৰ্তৃপক্ষ সাজু হৈছে। জিলাখনৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। মহাবিদ্যালয়খনৰ চাৰিটা কোঠাত ১৪ খনকৈ টেবুলত ভোটগণনা চলিব বুলি নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিছে। ভোটগণনা প্ৰক্ৰিয়াত অসুবিধাৰ সৃষ্টি নহ'বলৈ দায়িত্বত নিয়োজিত বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। একেদৰে ডিফু সংসদীয় সমষ্টিৰ অন্তৰ্গত হাওৰাঘাট, ডিফু আৰু বোকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে জিলাখনত আজি সন্ধিয়া ৫ বজাৰ পৰা ১৪৪ ধাৰা জাৰি কৰা হৈছে।

০০০০০০০০

**সমাপ্ত**